# 2020

( Held in 2021 )

## ASSAMESE

( Elective )

Paper : 5.1

*Full Marks* : 56

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ক—শাখা

১। অতি চমু উত্তৰ দিয়া : ১×৪=৪

(ক) লুইপাদ কোন অঞ্চলৰ লোক ?

(খ) পুত্ৰ জন্ম পোৱাৰ পাছত নন্দই দুই লক্ষ ধেনু কাক দান দিছে ?

(গ) বিশ্বেশ্বৰ বৈদ্যাধিপে পদ্যত ৰচনা কৰা বুৰঞ্জীখনৰ নাম কি ?

(ঘ) ৰঘুনাথ চৌধাৰীৰ অমিত্ৰাক্ষৰ ছন্দত ৰচিত খণ্ড-কাব্যখনৰ নাম কি ?

২। চমু উত্তৰ দিয়া : ২×৩=৬

(ক) 'ময়ূৰক ৰাখি ৰাজা এৰিয়ো কাকক'—ইয়াত বিদুৰে কাক কাক 'ময়ূৰ' আৰু 'কাক'ৰ লগত তুলনা কৰিছে?

(খ) নলিনীবালা দেৱীয়ে কোনখন গ্ৰন্থৰ বাবে আৰু কোন চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(গ) দ্ৰৌপদীয়ে নিজকে কিহৰ এক সহজ প্ৰকাশ বুলি উল্লেখ কৰিছে?

৩। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৬×৩=১৮

(ক) দিঢ় কৰিঅ মহাসুহ পৰিমাণ।
লুই ভণই গুৰু পুচ্ছিঅ জাণ।।

লুইপাদে গুৰুক সুধি কি জ্ঞান লোৱাৰ কথা কৈছে?

(খ) অসমীয়া পদ্য-বুৰঞ্জীৰ পৰিচয় দাঙি ধৰি বিশ্বেশ্বৰ বৈদ্যাধিপৰ 'বেলিমাৰৰ বুৰঞ্জী'ৰ ভাষা সম্পৰ্কে চমুকৈ লিখা।

(গ) 'সোণোৱালী দেশ' কবিতাটোত কবিৰ জীৱনৰ নিৰাশাবোৰ কেনেদৰে আশাত পৰিণত হৈছে, আলোচনা কৰা।

(ঘ) 'আমি দুৱাৰ মুকলি কৰোঁ' শীৰ্ষক কবিতাটিত কবিয়ে কিহৰ দুৱাৰ মুকলি কৰাৰ কথা উপস্থাপন কৰিব বিচাৰিছে, তোমাৰ ভাষাৰে বুজাই লিখা।

(ঙ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ ভাবাৰ্থ লিখা।

## খ—শাখা

৪। তলৰ যি কোনো চাবিটা প্ৰশ্নৰ উত্তৰ লিখা : ৭×৪=২৮

(ক) চৰ্যাপদৰ ভাষাক সান্ধ্যভাষা আখ্যা দিয়াৰ সপক্ষে যুক্তি দাঙি ধৰি লুইপাদ ৰচিত ১নং চৰ্যাপদটোত সান্ধ্যভাষা কেনেদৰে প্ৰয়োগ হৈছে, উদাহৰণসহ বুজাই লিখা।

(খ) মাতৃ যশোদাই শিশু কৃষ্ণক কাণ খোৱাৰ ভয় দেখুৱাই ঘুমটি নিয়াবলৈ চেষ্টা কৰোঁতে শ্ৰীকৃষ্ণৰ প্ৰতিক্ৰিয়া কেনে হৈছে, বৰ্ণনা কৰা।

(গ) পীতাম্বৰ কবিৰ 'উষা পৰিণয়'ৰ আধাৰত উষা আৰু চিত্ৰলেখা চৰিত্ৰ দুটাৰ এক তুলনামূলক আলোচনা দাঙি ধৰা।

(ঘ) নলিনীবালা দেৱীৰ কাব্য-প্ৰতিভা 'পৰম তৃষ্ণা' কবিতাটিত কেনেদৰে প্ৰস্ফুটিত হৈছে, বিশ্লেষণ কৰা।

(ঙ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' আৰু যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতা দুটাৰ ভিতৰত কোনটো কবিতা তোমাৰ দৃষ্টিত অধিক ৰোমাণ্টিক, যুক্তিসহ ব্যাখ্যা কৰা।

(চ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটিত নাৰী মনস্তত্ত্বৰ কোনটো দিশ প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★